
ঐক্যম
সম্পাদিকা
ভায়ʼলিনা বৰা

# ঐক্যম

২০২২-২৩ বৰ্ষৰ কলেজ অৱ এডুকেশ্বন, নগাঁৱৰ গ্ৰন্থাগাৰৰ সৌজন্যত প্ৰকাশিত হস্তলিখিত আলোচনী

তত্বাৱধায়িকা
ৰীনা ভূঞা শইকীয়া

সহঃ তত্বাৱধায়ক
ড° মিথুন দাস

সম্পাদিকা
ভায়লিনা বৰা



## উচৰ্গা

কলেজ অৱ এডুকেশ্যন, নগাঁও এই শিক্ষানুষ্ঠান খনৰ লগত জড়িত প্ৰতিষ্ঠা বৰ্ষৰ পৰা বৰ্তমানলৈকে যিসকল ব্যক্তিৰ সদিচ্ছা আৰু অশেষ কষ্টৰ ফলত এই শিক্ষানুষ্ঠানটি গঢ় লৈ উঠিছে সেই শিক্ষাৰ সাধক সকললৈ, লগতে কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল আৰু সমূহ শিক্ষক-প্ৰশিক্ষাৰ্থীসকলৰ নামত 'ঐক্যম' আলোচনীখন উৎসৰ্গা কৰা হ'ল।

— সম্পাদনা সমিতি

[illegible]
১১-৪-২০২৩

# সম্পাদনা সমিতি

প্ৰকাশ কাল : ২০২২-২৩
দ্বিতীয় প্ৰকাশ

তত্বাৱধায়ক : শ্ৰী বীণা দত্তা শইকীয়া
সহঃ তত্বাৱধায়ক : ড° মিথুন দাস
সম্পাদিকা : জায়লিনা বৰা
বেটুপাত অংকণ : শাশ্বতী সুমন বৰা

অলংকৰণ : শাহনাজ বেগম, শাশ্বতী সুমন বৰা
ময়ুৰী বৰবৰুৱা, শিৱাংগী শৰ্মা
লক্ষ্যস্মিতা বৰা, সাবেৰী নাহা, শিল্পীশিখা
বৰা

অনুলেখন
অসমীয়া : পৰিস্মিতা বৰুৱা, অৰিহণা কাশ্যপ
শ্ৰেইজী বৰা
ইংৰাজী : শাশ্বতী সুমন বৰা, অৰিহণা কাশ্যপ
শিৱাংগী শৰ্মা, সাবেৰী নাহা

সমন্বয়ক : প্ৰজ্যোতি প্ৰদীপ কলিতা
উদ্দেশ্য নাগ

# অধ্যক্ষৰ একলম

সাহিত্যই হৈছে সৃষ্টি, আৰু সৃষ্টিয়েই হৈছে সাধনা। সাধনাৰ আধাৰ হিচাপে কল্পনাক স্বীকৃতি প্ৰদান কৰে সৃষ্টিশীল প্ৰতিভাই। সৃষ্টিশীল প্ৰতিভাক বিভিন্ন আকাৰ দিব পৰা যায়, কবিতা, গল্প, উপন্যাস, নাটক আৰু অন্যান্য বিবিধ ৰচনাৰ সাবলীল আত্মপ্ৰকাশৰ যোগেদি। সেয়ে সৃষ্টিশীল প্ৰতিভাৰ উত্তৰণৰ হেতু 'কলেজ অৱ এডুকেশ্বন, নগাওঁৰ' পুথিভঁৰাল সমিতিৰ ঐকান্তিক প্ৰচেষ্টাৰ সুবাদতে ২০২১-২২ বৰ্ষৰ 'ঐক্যম' শীৰ্ষক হাতেলিখা আলোচনীৰ প্ৰথম সংস্কৰণে ভুমুকি মাৰিছিল। সেই প্ৰচেষ্টাৰ পুনঃ ফলশ্ৰুতিত পুথিভঁৰালী বীণা ভূঞাৰ তত্বাৱধানত 'ঐক্যম' ২০২২-২৩ বৰ্ষৰ দ্বিতীয় সংস্কৰণ উলিওৱাৰ আয়োজন কৰাটো মহাবিদ্যালয়ৰ পৰিয়ালৰ বাবে এক গৌৰৱৰ কথা। এই আলোচনী প্ৰকাশত সহযোগিতা আগবঢ়োৱা লেখক-লেখিকা, সম্পাদক তথা সম্পাদনা মণ্ডলীৰ সমূহ সদস্যলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। 'ঐক্যম' আলোচনীখনে যেন মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী সকলৰ চিৰযুগমীয়া সৃজনীশীলতাৰ কৃতিত্ব বহন কৰি থাকে তাকে আন্তৰিকভাৱে কামনা কৰিলোঁ।

শুভেচ্ছাৰে,

অধ্যক্ষ

কলেজ অৱ এডুকেশ্বন,

নগাওঁ

# তত্ত্বাৱধায়িকাৰ একলম

ছাত্ৰ-ছাত্ৰীসকলৰ মননশীল সৃষ্টি সমূহ প্ৰতিফলিত কৰাৰ এক উৎকৃষ্ট মাধ্যম হৈছে আলোচনী, যাৰ সু-প্ৰয়োগে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা সমূহ বিকশিত হোৱাত যথেষ্ট ভূমিকা গ্ৰহণ কৰে। একবিংশ শতিকা হৈছে তথ্য প্ৰযুক্তি আৰু কাৰিকৰী জ্ঞানৰ যুগ। আজিৰ মানুহে প্ৰযুক্তিগত শৈলীৰে নিজকে উন্নতিকৰণৰ প্ৰচেষ্টাত ব্ৰতী হৈছে যদিও আমাৰ পৰম্পৰাগত হস্তলিপি আমাৰ মাজৰ পৰা কেতিয়াও লুপ্ত হৈ যাব নোৱাৰে। বিজ্ঞানীসকলৰ মতে হস্তলিপিৰ অভ্যাসে মানুহৰ মন মগজুৰ বিকাশ সাধনত সহায় কৰে। এই অভ্যাসে ছাত্ৰ ছাত্ৰীসকলৰ সৃজনীশীল আৰু সৃষ্টিশীল শক্তিৰ বিকাশ সাধন কৰে। সেয়ে হয়তু আজিও স্কুল, কলেজ বা বিশ্ববিদ্যালয়তো হস্তলিখিত আলোচনী একনৰ গুৰুত্ব অপৰিসীম। এই উদ্দেশ্য আগত ৰাখিয়ে 'কলেজ অব্ এডুকেশ্বন, নগাঁৱৰ গ্ৰন্থাগাৰৰ সৌজন্যত ২০২১-২২ বৰ্ষৰ পৰা 'ঐক্যম' শীৰ্ষক এখন বছৰেকীয়া হস্তলিখিত আলোচনী উলিওৱাৰ প্ৰয়াস কৰা হৈছে। এগৰাকী তত্ত্বাৱধায়িকা হিচাপে মই এই আলোচনীখনৰ বাবে লেখা প্ৰদান কৰা সকলো লেখক বৃন্দ তথা তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভা সমূহ সুন্দৰকৈ সজাই পৰাই তুলি 'ঐক্যম' শীৰ্ষক আলোচনীখনৰ দ্বিতীয় খণ্ড প্ৰকাশ কৰাত প্ৰধান ভূমিকা লোৱা আলোচনীখনৰ সম্পাদিকা শ্ৰী ভাগ্যলিনা বৰা আৰু সম্পাদনা সমিতিৰ প্ৰতিগৰাকীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। আলোচনীখন প্ৰকাশৰ বেলিকা দিহা পৰামৰ্শ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মানশিখা বৰুৱা বাইদেউ আৰু সহকাৰী অধ্যাপক ড° মিঠুন দাস দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**শ্ৰী বীণা ভূঞা শইকীয়া**
গ্ৰন্থাগাৰিকা, কলেজ অব্ এডুকেশ্বন
নগাঁও

# সম্পাদকীয় প্ৰকাশ

'সাহিত্য জাতিৰ দাপোন স্বৰূপ'। - কোনো এটা জাতিৰ এখন নিখুঁত ছবি প্ৰতিফলিত হয় সেই জাতিৰ জাতীয় সাহিত্যত। সাহিত্য হ'ল জীৱন অভিজ্ঞতাৰ সুকলি প্ৰকাশ। অন্যান্য কলাৰ ভিতৰত সাহিত্যও এবিধ কলা, যি কলাৰ জৰিয়তে এখন সৰ্বাংগ সুন্দৰ সমাজ গঠন কৰি ইয়াৰ বাঞ্চিত লক্ষ্য আৰু সুন্দৰতা অধিক ৰূপত গঢ়ি তোলাই ইয়াৰ ইপ্সিত উদ্দেশ্য।

সাহিত্য আৰু শিক্ষা একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি। শিক্ষাই যেনেকৈ জ্ঞান দিয়ে তেনেকৈ সাহিত্যই জ্ঞানৰ পৰিধি বিকশিত কৰে। প্ৰশিক্ষাৰ্থী সকলৰ সুপ্ত প্ৰতিভাসমূহ বিকশিত কৰিবৰ বাবে সৃজনীশীল সাহিত্যৰ গুৰুত্ব অপৰিসীম। প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা হাতে-লিখা আলোচনী 'ঐক্যম' তাৰেই প্ৰতিফলন। 'ঐক্যম' কেৱল মাত্ৰ এখন আলোচনী নহয়, ই হৈছে প্ৰশিক্ষাৰ্থীসকলৰ একাত্মতাৰ দাপোনস্বৰূপ।

আলোচনীখনৰ সম্পাদিকা পদৰ বাবে যোগ্য বুলি ভবাৰ বাবে প্ৰকাশক মণ্ডলীক ধন্যবাদ জ্ঞাপন কৰিছো। আলোচনীৰ তত্বাৱধায়ক তথা সহ তত্বাৱধায়ক ক্ৰমে বীণা ফুকন শইকীয়া বাইদেউ আৰু ড° মিথুন দাস ছাৰ, অধ্যক্ষা ড° মানশিখা বৰুৱা বাইদেউ, স্মৃতিজ্যোতি ছাৰকে প্ৰমুখ্য কৰি সমূহ অধ্যাপক অধ্যাপিকা সকলক তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শৰে আলোচনীখন প্ৰস্তুত কৰাত কৰা সহায়ৰ বাবে অশেষ ধন্যবাদ।

আলোচনীখনৰ বেটুপাতটো সুন্দৰকৈ প্ৰস্তুত কৰাত সহায় কৰাৰ বাবে শ্ৰদ্ধাৰ ড° মিথুন দাস ছাৰক অশেষ ধন্যবাদ। তদুপৰি আলোচনীখন প্ৰস্তুত কৰি উলিওৱাৰ অন্তৰালত থকা সমূহ কৰ্মকৰ্তা ক্ৰমে- শ্বাহনাজ হাজৰিকা, শাশ্বতী সুমন বৰা, অৰিহণা কাশ্যপ, পৰিস্মিতা বৰুৱা, ময়ূৰী বৰবৰুৱা, পিয়াংগী শৰ্মা, লক্ষ্যস্মিতা বৰা, ডেইজী বৰা, শিল্পীলিখা বৰা আৰু মাধুৰী নাহাক ধন্যবাদ জনাইছো।

আলোচনীখন অতি কম সময়তে প্ৰস্তুত কৰি উলিওৱাত সহযোগ আগবঢ়োৱা সমন্বয়দ্বয় পূজাশ্ৰী প্ৰদীপ কলিতা আৰু উদ্দেশ নাগকো আন্তৰিক ধন্যবাদ।

শেষত সম্পাদনাৰ যিকোনো দিশত হ'ব পৰা অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

ভাৰ্যলিনা বৰা

# ক্ৰমণিকা

## অসমীয়া :-



- অপৰাহ্ন — ড° শেৱালী বৰা
- মই বৰ ভাগৰি পৰিছোঁ — স্মৃতিজ্যোতি গোস্বামী
- ফাগুনৰ কপাহে — জোৱলিনা বৰা
- বৰদৈচিলা — অৰ্পিতা বৰা
- কালস্ৰোত — ডেইজী বৰা
- ফুলৰ দৰে হাঁহিব বিচাৰো — স্নিগ্ধা বৰুৱা
- চাল-কৰি খেলোতে - সুৰৰ মোলকিলে পাগ — ৰিৰ ৰিৰ গগৈ
- 


## ইংৰাজী :-


- Bihu – A Symbol of Happiness — Shahnaz Hazarika
- One-Horned Rhino : The Pride of Assam — Sakina Fahmin
- The Boy who fights — Uddesh Nag
- Juvenile Delinquency — Pujashree Pradip Kalita.

- Take me in your Midst — Sanoubar Saba
- Japi : A symbol of Assamese Culture — Arihana Kashyap
- A Child's Fear — Sarita Nahata.
- Snakes : Friend or Foe — Lakhyasthila Bora.
- What Education Does? — Mouhana Rajbongshi
- Women Empowerment — Dipi Saikia
- Freedom — Chayanika Handique
- My Vision of India in Future — Saberee Naha.
- Breaking Free — Akash Gogoi.
- Value of Games in Education — Sibangi Sarma.
- Drug Use and Abuse — Kabyashree Bora.
- Malnutrition in India: A major problem with minor attention — Deepanjali Nayak.
- Barrier — Mouchumi Das.
- Need of Career Counselling for the Youths — Ambarish Kashyap
- Women Empowerment — Pinki Saikia.

# অসমীয়া বিভাগ



# অপৰাহ্ন

অশৰীৰী জোনাকবোৰে
জুমাজুমি কৰে তাইৰ বুকুৰ মাজত ।
সজলা পথাৰে
নদনমত্ত ধাননিডৰাক
কোলাত লৈ
নিচুকনি গীত গায়,
অভিসাৰী নিশাবোৰ নগ্ন হৈ নাচে ।
খিৰিকীৰে তুমি চাই পোহৰ থমকি ৰয় ।
সদ্যোদিত সূৰুযৰ হেঁপাত হেৰাই যোৱা
তৰাটিৰ উচুপনিত
খহি পৰে
জীৱনৰ ছন্দ....
কোনেও নজনাকৈ ।

ড° শেৱালী বৰা
সহযোগী অধ্যাপিকা
কলেজ অৱ এডুকেশ্বন, নগাঁও

# মই বৰ ভাগৰি পৰিছোঁ



মই বৰ ভাগৰি পৰিছোঁ
অ' সঁচাকৈয়ে কৈছোঁ
জীৱনৰ বাট বিচাৰি
নিজেই পথভ্ৰষ্ট
মই কৰা কষ্টবোৰ
আজি বিফল
ভবাই নাছিলোঁ
এনে সিদ্ধান্তত
সাধনাৰ সুফল
নেপাম বুলি
সময়ৰ সোঁতত
নিজৰ পৰিচয় বিচাৰি
পৰিচয়বিহীন মই
সুখনো কি ?
দুখৰেই এক পৰিবৰ্দ্ধন
ক্ষণিক উপলব্ধি ।

মই বৰ ভাগৰি পৰিছোঁ
হাঁহিবোৰ নিমিষতে
শুকাই গ'ল
অশ্ৰুৰ বন্যা বোৱাবলৈ
মই অসমৰ্থ
কাৰণ বহু সংঘাত
চকুৰে দেখিছোঁ
আৰু ....
বহুত দেখিম নিশ্চয়
তথাপি পাৰিম জানো
মই মোৰ কৃতি
অস্তিত্বৰ সুবাস
সৌন্দৰ্য্যৰ পিয়লাৰ
কিৰণ সিঁচৰিব ?



— স্মৃতিজ্যোতি গোস্বামী
সহকাৰী অধ্যাপক
কলেজ অব এডুকেশ্বন, নগাঁও ।

# ফাগুনৰ কথাৰে



(১)

ঋতু আহে ঋতু যায়
সেউজী পাতে
উৰণী সহাই
পৰ্বতক বেজাৰ কৰি
নিলাজী মনে
কাক জানো খিয়াই ?
ফাগুনক খিয়াই, ফাগুনকে খিয়াই ।

(২)

লঠঙা গছেৰেই ফাগুন নামে
সেন্দুৰ ফুলা শিমলুৰ ডালে ডালে
ফাগুনে আঁটি কবিতা ৰচে
বসন্তলৈ বাট চাই লঠঙা গছে
সেউজীয়া যৌৱনৰ সপোন দেখে ।

(৩)

ফাগুনে আহি কাণে কাণে ক'লে
চোৱা বন্ধু
এই ইমান উদ্যমে,
অথচ মোৰ বুকুতেই আছে
ৰাঙলী শিমলু, মদাৰ, পলাশ ।
কিছুদিন ৰৈ চোৱা,
ধুলিয়ৰি বাট মোহাৰি
আকৌ আহিব মোৰ পাছতেই
মোকে খিয়াই
তোমাৰ বাটলৈ
বসন্তৰ ফুলীয়া বতাহ ।



— জয়লিনা বৰা
বি.এড প্ৰথম বৰ্ষ

# বৰদৈচিলা

বহাগ আহৰ বৰষুণ ডাকে
মেঘত মাদল বাজে,
যেন পেঁপা গগনাৰ মাজে
ধৰাৰ বুকুলৈ যৌৱন আনে ।
ধুমুহাই নিকা কৰে ধৰাখনি
শান্তিৰ পৰিৱেশ ৰচে,
বিপ্লৱৰ প্ৰতিনিধি ৰূপে
কুচিন্তা হিয়াৰ পৰা নচ্যাৎ কৰে ।
বৰদৈচিলা অসমীৰ জী
বতৰা দিয়ে সংগোপনে,
আহোঁ বুলিয়ে ধৰালৈ আহে
সাহসীৰ হিয়াত খলকনি তোলে ।
হে প্ৰকৃতি, হে প্ৰাকৃতিক
আমি তোমাৰ সহোদৰ
পবিত্ৰ কৰা এই সমতল
গ্লানিৰে ভৰিছে অসমখনি

শ্ৰী অৰ্পিতা বৰা
বি.এড প্ৰথম বাৰ্ষিক

# কালস্ৰোত

স্তব্ধ সময়
মৌন কোলাহল;
নাই শিশুৰ আজি
হাঁহিৰ খলকনি ।
একেলোৰে কটাইছে
বিনিদ্ৰ ৰজনী ॥
ক'ৰ'না মহামাৰিয়ে
চৌপাশে আতংক নিগৰাইছে,
বিশাক্ত ভাইৰাছে
অসালৰ পৰা আপন কৰি
মৃত্যুৰ নিজৰা বোৱাইছে ॥
বহু অপেক্ষা অন্তত
আবিষ্কৃত হ'ব খোজা
শিশুৰ মুখৰ হাঁহিটোৱে,
আজি প্ৰাণ পাই উঠিলে ।
প্ৰমাণ কৰি দিলে
জীৱ শ্ৰেষ্ঠ মানুহে,
কোনো কষ্টনাই
নিঃশেষ কৰিব নোৱাৰিলে ॥
সেই বেয়া দিনৰ অৱসান ঘটাই,
সাধাৰণ অৱস্থা আনিছে ঘূৰাই ।
পুৰানিক বিদায় দি
বসন্তৰ আগমনে,
প্ৰতি নতুন দিনৰ
ৰং বিলাই ॥

—ডেইজী বৰা
বি.এড প্ৰথমবৰ্ষ

# ফুলৰ দৰে হাঁহিব বিচাৰো

হৃদয়ৰ গলিচাত সপোনৰ অলকানি
পূৰ্ণতাপ্ৰাপ্তিৰ সাৰিথীকাৰ
পিছত দৌৰি
সন্মুখৰ প্ৰত্যাহ্বানবোৰ
আঁতৰাব কাষি
ক'ৰবাত যেন নিজকে
হেৰুৱাই দিছো
হাঁহিবোৰ সমাধি লগে
ধাৰি ৰঙাৰ যেন চাতকীৰ হেঁপাহ আছিল।

প্ৰতিটো পুৱা ৰংবিৰঙী ফুলাখিনিক চাওঁ
হেঁপাহ পলুৱাই চাওঁ
জকমকাই থকা ফুলাখিনিক
কাণে কাণে সোধোঁ
সুগন্ধি পাখিলাই মৌ চুঁহি যায়
তথাপি ইমান সুন্দৰতা কিয়?
ৰ'দত জাঁপ খাই সমাহি উঠা
পাহি কেইটাত পানীৰ পৰশ পাই
তজবজীয়াজলী হৈ যোৱাৰ
ৰহস্যটোনো ক'ত ?

মৃদু বতাহৰ লগত হাঁলি-জাঁলি
খিচিকিয়াই ফুলপাহে
যেন মোক কয়
অস্থায়ী জীৱন- সপাঁহি সুখ সপাঁহি দুখক জিনি
সুখৰ হাঁহিত মতলীয়া আমি –

হয়তো !
তেতিয়া মনে লাগে যেন
মৃত্যুও অতিয়া সহজ
আৰু সুখবোৰো যেন একেবাৰেই সহজ
ঠিক পাতৰ মাজত
আমাক বিচাৰি পোৱাৰ দৰেই....

— স্নিগ্ধা বৰুৱা
বি.এড. প্ৰথম বৰ্ষ

# ঢাল-কড়ি খেলোতে - মূৰৰ সোলকিলে পাগ

অসমৰ জাতীয় উৎসৱ বিহুৰ লগত জড়িত হৈ আছে বিভিন্ন পৰম্পৰাগত খেল-ধেমালি। অসমীয়া সমাজত প্ৰচলিত তেনে এক পৰম্পৰাগত খেল হৈছে 'কড়ি-খেল'। আহোম ৰাজত্বৰ দিনৰে পৰা চলি অহা কড়ি খেল মূলত: ৰঙালী বিহুৰ সময়ত খেলা হয়। সেই সময়ত কড়িক ধৰ্মীয় গুণবিশিষ্ট বুলি গণ্য কৰা হৈছিল। টাই-আহোম সকলৰ ভিতৰত এই খেল অত্যন্ত জনপ্ৰিয় আছিল। আহোম স্বৰ্গদেউ সকলৰ উদ্যোগত গড়গাঁৱৰ কাৰেংঘৰত ৰাজ পৰিয়াল আৰু ৰাজবিষয়াসকলৰ মাজত কড়িখেলে ব্যাপক সমাদৰ লাভ কৰিছিল আৰু পৰৱৰ্তী সময়ত অসমৰ সৰ্বসাধাৰণ ৰাইজৰ মাজতো ব্যাপক হাৰে প্ৰচলিত হৈছিল।

কড়িখেল ৰঙালী বিহুৰ প্ৰাক্ক্ষণত অনুষ্ঠিত কৰা হয়। চ'ত মাহৰ পহিলাৰ পৰা বহাগ বিহুৰ উৰুকা দিনালৈকে এই খেল খেলা হয়। চ'ত মাহৰ ভিতৰতে সংঘটিত আহোম আৰু মোগলৰ মাজৰ ঐতিহাসিক শৰাইঘাটৰ ৰণৰ লগতেও আছে কড়ি খেলৰ সম্পৰ্ক। কড়িখেলৰ কিছুমান আভাস পুৰণি বিহুনামটো পোৱা যায় —

"দেউতা ঐ, কেৰেলা বেঙেনাৰ চাক,
ঢাল কড়ি খেলোতে, দদাইদেউৰ ঘৰতে;
মূৰৰ সোলকিলে পাগ।"

কড়িখেল হৈছে অতি কম খৰচতে খেলিব পৰা এবিধ খেল, যি বৰ্তমান সময়ৰ লুডুৰ দৰে প্ৰায় একে। কড়ি খেলৰ বাবে ছটা কড়িৰ প্ৰয়োজন হয়। এই খেলত ৪জনৰ পৰা ৮-১০ জন খেলুৱৈয়ে ভাগ লব পাৰে। কড়ি খেল খেলিবৰ বাবে গৃহস্থই ৰাইজক আমন্ত্ৰণ জনায় আৰু ৰাইজে গৃহস্থৰ ঘৰৰ মাটিৰ মজিয়াত কড়িৰ ঢাল পাতে। এই ঢাল পাতিবৰ বাবে গৃহস্থই শৰাইত গুৱা-পাণ, অথিৱা আগবঢ়াই ৰাইজক সেৱা জনাই।

সাম্প্ৰতিক সময়ত এই কড়ি খেল বিলুপ্তপ্ৰায় অৱস্থাত যদিও উজনি অসমৰ ঠায়ে ঠায়ে গাঁওসমূহত অদ্যাপি প্ৰচলিত হৈ আছে। চ'ত মাহৰ পহিলাৰ পৰা চলি থকা এই খেল বহাগ বিহুৰ উৰুকা অৰ্থাত গৰু বিহুৰ আগদিনা সামৰা হয়। এই শেষৰ দিনটো 'কড়ি উৰুৱা' বুলি জনাজাত। প্ৰজননৰ লগতে এই খেলবিধৰ সম্পৰ্ক আছে যদিও নতুন বছৰত গাঁৱৰ ৰাইজৰ মাজত সম্প্ৰীতিৰ পৰিৱেশ সৃষ্টিত কড়ি খেলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

- ৰিৰ ৰিৰ গগৈ
বি.এড. প্ৰথম বৰ্ষ।

# ENGLISH

# SECTION



# BIHU – A SYMBOL OF HAPPINESS

Bihu is not mere a festival
It carries a lot of significance
Three types of Bihu are heart-beats,
of the land of Assam
Rongali Bihu marks the new year in advance
This Bihu is the soul of the people of Assam.
It consists of seven pinnacle phases–
Sot, Rati, Goru, Manuh, Kutum, Mela and Sira

Oh Bihu! we welcome you
whole-heartedly.
Come and mitigate our sadness
Be our panacea and eradicate
All the darkness of Our land.

– Shahnaz Hazarika
B.Ed. 1st Year.

